জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৯/২০২২

**পৰিবহন বিভাগৰ ১০ টা অনলাইন সেৱা মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে**

# জিলা পৰিবহন কাৰ্যালয়ৰ কামৰ বোজা হ্ৰাস কৰি যান-বাহন আইন বলৱৎকৰণত অধিক মনোনিৱেশ কৰাত গুৰুত্ব প্ৰদান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৯ ফেব্ৰুৱাৰী ঃ** ৰাজ্যখনৰ জনসাধাৰণক অনলাইন ৰাজহুৱা সেৱা প্ৰদানৰ দিশত আন এক উল্লেখনীয় পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত পৰিবহন বিভাগৰ ১০ টা আধাৰ সংযুক্ত অনলাইন সেৱা আনুষ্ঠানিকভাৱে মুকলি কৰে। উল্লেখ্য যে পৰিবহন বিভাগে বিগত বৰ্ষত গাড়ী চালনৰ শিকাৰুৰ অনুজ্ঞাপত্ৰ, চালকৰ অনুজ্ঞাপত্ৰ নবীকৰণ আৰু হেৰুওৱা বা নষ্ট হোৱা চালকৰ অনুজ্ঞাপত্ৰৰ প্ৰতিলিপি প্ৰদান— এই তিনিবিধ আধাৰ সংযুক্ত সেৱা ইতিমধ্যে আৰম্ভ কৰিছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি শুভাৰম্ভ কৰা এই সেৱাসমূহৰ জৰিয়তে গুণগত মানসম্পন্ন ৰাজহুৱা সেৱা প্ৰদান নিশ্চিত কৰিবলৈ আজিৰে পৰা মালিকীস্বত্ব স্থানান্তৰ, হাইপোথেকেচন বাতিল আৰু অনুমোদন, আপত্তি বিহীন প্ৰমাণপত্ৰ, ঠিকনা পৰিৱৰ্তন, পঞ্জীয়নপত্ৰৰ প্ৰতিলিপি, আন্তৰ্জাতিক ড্ৰাইভিং পাৰ্মিট আদিকে ধৰি ১০টা অনলাইন সেৱা আৰম্ভ কৰা হৈছে। আজি শুভাৰম্ভ হোৱা এই ১০ টা অনলাইন সেৱাৰ ফলত পৰিবহণ বিভাগৰ কাৰ্যালয়লৈ নোযোৱাকৈ কাম সমাধা হোৱাৰ ক্ষেত্ৰত বছৰি প্ৰায় ৪ লাখ লোকক উপকৃত কৰিব। এনে অনলাইন সেৱা আৰম্ভ হোৱাৰ পিছত বৰ্তমানলৈকে ৪ লাখ ৫২ হাজাৰ লোকে অনলাইন মাধ্যমেৰে শিকাৰুৰ অনুজ্ঞাপত্ৰ লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্য চৰকাৰে ৰাইজৰ সুবিধাৰ্থে সুচল ৰাজহুৱা সেৱা প্ৰদানৰ ক্ষেত্ৰত এক নতুন মানদণ্ড স্থাপন কৰাৰ দিশত অহোপুৰুষাৰ্থ কৰি আহিছে বুলি মন্তব্য কৰি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৰ্শন অনুসৰি সাধাৰণ জনতাই যাতে যথাসম্ভৱ সহজে চৰকাৰী সেৱাসমূহ লাভ কৰে তাৰ বাবে ৰাজ্য চৰকাৰে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে আৰু এই প্ৰয়াসৰ অংশ হিচাপে অনলাইন সেৱাসমূহ আৰম্ভ কৰা হৈছে। জিলা পৰিবহন কাৰ্যালয়সমূৰ কামৰ বোজা হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ইয়াৰ ফলত পৰিবহন কাৰ্যালয়সমূহে যান-বাহনৰ নীতি-নিয়মসমূহ বলৱৎ কৰাৰ দিশত অধিক মনোনিৱেশ কৰিবলৈ সক্ষম হ'ব। পৰিবহন বিভাগৰ সেৱাসমূহ ক্ৰমান্বয়ে অনলাইনযোগে প্ৰদানৰ ব্যৱস্থা কৰাৰ ফলত জিলা পৰিবহন কাৰ্যালয়সমূহে আইন বলৱৎকৰণৰ ক্ষেত্ৰত অধিক মনোনিৱেশ কৰিব পাৰিব। বিগত বৰ্ষত ক'ভিড মহামাৰীৰ প্ৰাদুৰ্ভাৱ সত্ত্বেও পৰিবহন বিভাগে প্ৰায় ৮০০ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হোৱাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভাগটোৰ শলাগ লৈ কয় যে বিগত ৯ টা মাহত পৰিবহন বিভাগে ৰাজ্য চৰকাৰৰ

অন্যতম কৰ্মদক্ষ বিভাগ হিচাপে পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰিছে। আগন্তুক সময়ছোৱাতো বিভাগটোৱে এনে পাৰদৰ্শিতা অব্যাহত ৰাখিবলৈ সক্ষম হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে আভ্যন্তৰীণ জল পৰিবহণ সেৱা সুৰক্ষিত আৰু সুচল কৰাৰ লক্ষ্যৰে গুৱাহাটী ভিত্তিক ফেৰী সেৱাৰ বাবে নৈশ পথ প্ৰদৰ্শনৰ সুবিধাৰ লগতে ধুবুৰী আৰু শিলচৰ ফেৰী সেৱাৰ ই-টিকট প্ৰণালীৰ শুভাৰম্ভ কৰে। পঞ্চায়ত পৰ্যায়ৰ লোকসকলৰ সুবিধাৰ্থে এই সেৱাসমূহৰ উপলব্ধতাৰ বাবে আজি তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ অধীনস্থ সমূহীয়া সেৱা কেন্দ্ৰ আৰু পৰিবহন বিভাগৰ সৈতে এক বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়। অসমত ১৩,৫৬৮টা এনে কেন্দ্ৰই জনসাধাৰণক এই সেৱা লাভ কৰাত সহায় কৰিব।

অনুষ্ঠানত পৰিবহন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী তথা বিভাগৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**স্বাক্ষৰ / নিঃকুঃদাঃ**
**১৯-২-২০২২**